অধ্যায় ১ ঃ দৃশ্য-শ্রব্য প্রচাৰ মাধ্যমৰ সৈতে পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ দৃশ্য-শ্রব্য প্রচাৰ মাধ্যমৰ গঠন তথা বৈশিষ্ট্য

১.৪ দৃশ্য-শ্রব্য প্রচাৰ মাধ্যমৰ প্রভাৱ আৰু প্রসাৰ

১.৫ শ্রব্য প্রচাৰ মাধ্যম বনাম দৃশ্য-শ্রব্য প্রচাৰ মাধ্যম

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- টেলিভিছন মাধ্যমৰ সুনির্দিষ্ট বৈশিষ্ট্যসমূহ ধৰিব পাৰিব
- টেলিভিছনৰ প্রভাৱ আৰু প্রসাৰৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- গণমাধ্যম হিচাপে টেলিভিছনৰ সম্ভাৱনীয়তা বর্ণনা কৰিব পাৰিব।

১.২পৰিচয়

ইয়াৰ আগৰ যাণ্মাষিক আমি শ্রব্য প্রচাৰ মাধ্যম অর্থাৎ ৰেডিঅ'ৰ বিষয়ে আলোচনা কৰিছিলো। এই খণ্ডটিত আপোনালোকে দৃশ্য-শ্রব্য প্রচাৰ মাধ্যম অর্থাৎ টেলিভিছন সম্পর্কে জানিব পাৰিব।

এই অধ্যায়টো এই পাঠ্যক্রমৰ প্রথম অধ্যায় আৰু ইয়াত ৰেডিঅ' আৰু টেলিভিছনৰ বৈশিষ্ট্যসমূহৰ মাজত থকা মৌলিক প্রভেদবোৰৰ কথাও আপোনালোকে বুজিব পাৰিব। লগতে আমাৰ দেশত টেলিভিছনৰ প্রভাৱ আৰু প্রসাৰৰ বিষয়েও এক আভাস পাব। আমি আশা কৰো, এই অধ্যায়টো পঢ়াৰ পাছত আপোনালোকে টেলিভিছন মাধ্যমটোৰ বিষয়ে জনাৰ উপৰি ই কেনেকৈ কাম কৰে সেয়াও পৰিষ্কাৰকৈ বুজি পাব। তেনেহ'লে এতিয়া তলৰ শাখাবোৰলৈ মনোযোগ দিওঁ আহক।

১.৩দৃশ্য-শ্রব্য প্রচাৰ মাধ্যমৰ গঠন তথা বৈশিষ্ট্য (CHARACTERISTICS AND FEATURES OF AUDIO-VISUAL MEDIA)



শ্রব্য ঃ এই পাঠ্যবিষয়ত Audio শব্দৰ বাবে শ্রব্য শব্দটি ব্যৱহাৰ কৰা হৈছে। শ্রব্য শব্দটি শ্রৱণৰ পৰা আহিছে। বহুতে 'শ্রাব্য' বুলিও লিখে।

দৃশ্য-শ্রব্য সংজ্ঞাটোৱে এনে এক প্রচাৰ মাধ্যমক বুজায়, যিয়ে শ্রব্য আৰু দৃশ্য দুয়োবিধ উপাদান ব্যৱহাৰ কৰে, শ্রব্য আৰু দৃশ্যমান দুয়োবিধ উপাদান থকা কোনো কাম, তেনে কাম প্রস্তুত অথবা প্রয়োগ কৰা নাইবা তেনে কাম প্রস্তুত কৰা কামত ব্যৱহৃত নানা সা-সঁজুলিৰ কথা বুজায়। কথাছবি (Cinema) আৰু টেলিভিছন হ'ল দৃশ্য-শ্রব্য মাধ্যমৰ উদাহৰণ। টেলিভিছন এটা দৃশ্য-শ্রব্য মাধ্যম কাৰণ ইয়াৰ জৰিয়তে শব্দ আৰু ছবি দুয়োটা উপাদানেই উপভোগ কৰিব পাৰি। ইয়াত ছবি দৃশ্যমান হয়। ছবিবোৰ গতিশীল হোৱাৰ লগতে সাধাৰণতে ৰঙীণো হয়।

টেলিভিছন উদ্ভাৱনৰ অনুপ্রেৰণা দৰাচলতে ৰেডিঅ'ৰ পৰাই আহৰণ কৰা হৈছে। বর্তমান গণ প্রচাৰ মাধ্যম আৰু যোগাযোগৰ মূল উৎস বুলিলে আমি যি বুজো তাৰ ভেটি ৰেডিঅ'ই স্থাপন কৰিছে। টেলিভিছনে জনজীৱনত সুগভীৰ আৰু সর্বাত্মক প্রভাৱ পেলাবলৈ সক্ষম হৈছে। শব্দ আৰু ছবিৰ সংযোজন ঘটাই বাস্তৱ যেন লগা পৰিস্থিতি এটা সৃষ্টি কৰিব পৰাটোৱেই টেলিভিছনৰ এই সফলতাৰ আঁৰৰ ৰহস্য। এনে পৰিস্থিতিৰ সৈতে দর্শকে একাত্মবোধ কৰাৰ লগতে মানসিক সংযোগ স্থাপন কৰিব পাৰে।

প্রতিটো মাধ্যমৰ সবল আৰু দুর্বল দুয়োটা দিশেই থাকে। মাধ্যমটো কেনেদৰে ব্যৱহাৰ কৰা হয় বহুত কথা তাৰ ওপৰত নির্ভৰশীল। টেলিভিছন হ'ল এটা অতি গুৰুত্বপূর্ণ মাধ্যম। দর্শকলৈ তথ্য যোগান ধৰিবলৈ বহুলভাৱে এই মাধ্যমটো ব্যৱহাৰ হয়। টেলিভিছনৰ দৃশ্য আৰু শ্রব্য দুয়োটা প্রযুক্তিৰ সংমিশ্রণ ঘটাব পৰা উল্লেখনীয় বৈশিষ্ট্য আছে। সেয়েহে ইয়াক শ্রব্য মাধ্যমতকৈ বহুগুণে অধিক প্রভাৱশালী বুলি গণ্য কৰা হয়। টেলিভিছনে মনোৰঞ্জন, তথ্য যোগান আৰু শিক্ষাকে আদি কৰি একাধিক উদ্দেশ্য সাধন কৰে।

টেলিভিছনৰ কেতবোৰ বৈশিষ্ট্য আছে। ইয়াৰে দুটামানৰ বিষয়ে অলপ বহলাই আলোচনা কৰোঁ আহক।

১) টেলিভিছন হ'ল এটা দৃশ্য-শ্রব্য মাধ্যম। ই একে সময়তে ছবি আৰু শব্দ দুয়োটা প্রচাৰ কৰিব পাৰে। দর্শকে টেলিভিছনৰ পর্দাত মানুহ এজনে কি কৈ আছে সেয়া শুনিবও পাৰে আৰু একে সময়তে কি ঘটি আছে সেয়া দেখাও পায়।

২) কথাতে আছে— ছবি এখন সহস্র শব্দৰ সমান। সেয়েহে গতিশীল ছবি এখনৰ কিমান কথা বুজাব পৰাকৈ সম্ভাৱনীয়তা থাকে সেয়া বুজাত কাৰো অসুবিধা নাথাকে নিশ্চয়! শব্দ, ৰং আৰু গতিশীলতা —এই উপাদানকেইটাই টেলিভিছনক আন আন গণ-প্রচাৰ মাধ্যমসমূহতকৈ অধিক বিশ্বাসযোগ্য কৰি তুলিছে।

৩) টেলিভিছনৰ বিপুল সংখ্যক, ভিন্ ভিন্ স্তৰৰ, সংমিশ্রিত বয়সৰ আৰু অজ্ঞাত দর্শক আছে। বিভিন্ন সামাজিক স্তৰ, বয়স, সংস্কৃতি অথবা ধর্মৰ মানুহে টেলিভিছনৰ অনুষ্ঠান

উপভোগ কৰে। সেয়েহে কোনো এটা বিশেষ ছেনেলত এটা নির্দিষ্ট সময়ত সম্প্রচাৰ হোৱা কোনো বিশেষ অনুষ্ঠান এটাৰ দর্শকৰ সংখ্যা নির্দ্ধাৰণ কৰাটো সম্ভৱ নহয়। সেয়েহে এনে দর্শকক অজ্ঞাত বুলি গণ্য কৰা হয়।

৪) টেলিভিছন সক্রিয় কৰিবলৈ বা চলাবলৈ বিদ্যুতৰ প্রয়োজন। সেয়েহে বহুতো অনুন্নত আৰু উন্নয়নশীল দেশৰ বাসিন্দাৰ বাবে টেলিভিছন এতিয়াও সহজলভ্য নহয়। অৱশ্যে বেটাৰীৰ সহায়তো টেলিভিছনৰ কার্যসূচী উপভোগ কৰিব পৰা যায় আৰু এই ব্যৱস্থাই টেলিভিছনক বহু ভিতৰুৱা অঞ্চলৰ দর্শকৰ কাষলৈও লৈ গৈছে। বাতৰিকাকত আৰু ৰেডিঅ'ৰ তুলনাত টেলিভিছন এটা ব্যয়বহুল মাধ্যম।

৫) টেলিভিছনৰ অনুষ্ঠান সকলোৱে উপভোগ কৰিব পাৰে। টেলিভিছনৰ দর্শক হ'বলৈ শিক্ষাগত অর্হতাৰ কোনো প্রয়োজন নাই।

৬) টেলিভিছন ছেটবোৰৰ ওজন সাধাৰণতে বেছি। সেয়েহে ইয়াক ৰেডিঅ' আৰু বাতৰি কাকতৰ দৰে সহজে এঠাইৰ পৰা আন এঠাইলৈ কঢ়িয়াই লৈ ফুৰিব পৰা নাযায়।

৭) টেলিভিছন হ'ল এটা মনোহৰ, আকর্ষণ কাঢ়িব পৰা (Glamourous) মাধ্যম। দর্শনীয় ৰং, শব্দ আৰু ছবিবোৰৰ গতিশীলতাই ইয়াক এটা আকর্ষণীয় সংযোগ মাধ্যম কৰি তুলিছে। ই দর্শকক অধিক মনোৰঞ্জন প্রদান কৰে।

৮) টেলিভিছনে দর্শকক কোনো ঘটনা ঘটি থকা সময়তে প্রত্যক্ষ কৰাব পৰাৰ সম্ভাৱনীয়তাও বহন কৰে। বাতৰিকাকতত আমি কোনো ঘটনাৰ বিষয়ে পঢ়িবলৈ এদিন অপেক্ষা কৰিব লাগে। কিন্তু টেলিভিছনৰ প্রত্যক্ষ চলন্ত বিৱৰণী দিব পৰাৰ ক্ষমতা থাকে। এই ক্ষমতাটোক 'লাইভ নিউজ' (Live News) বোলা হয়।

৯) টেলিভিছনক 'লীন বেক' (Lean Back) মাধ্যমো বোলা হয়। কাৰণ বাতৰিকাকত নাইবা ইণ্টাৰনেটৰ দৰে টেলিভিছন চাই থকা সময়ত গভীৰ মনোযোগ দিয়াৰ প্রয়োজন নহয়।

১০) তথ্য প্রচাৰৰ বাবে টেলিভিছন হ'ল এটা উপযুক্ত আহিলা। বাতৰি আৰু সাময়িক প্রসংগৰ (Current Affairs) উপৰি টেলিভিছনৰ অন্যান্য কার্যসূচীবোৰৰ জৰিয়তেও আমি নানা বিষয়, মানুহ আৰু স্থান সম্পর্কে বিভিন্ন জ্ঞান আহৰণ কৰিব পাৰো। টেলিভিছন নথকাহেঁতেন এই কাম সহজসাধ্য নহ'লহেঁতেন।

টেলিভিছনে দর্শকক মনোৰঞ্জনৰ খোৰাকো যোগান ধৰে। মানুহে টেলিভিছন চাই কর্মব্যস্ত দিন এটাৰ অৱসাদ আঁতৰাব পাৰে।

চিন্তা চৰ্চা কৰক



ক) আপুনি টেলিভিছনৰ দোষ আৰু গুণ বুলি ভবা দিশবোৰৰ তালিকা এখন প্ৰস্তুত কৰক। সঠিক উদাহৰণেৰে তালিকাত সন্নিৱিষ্ট বিষয়বোৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

.....

.....

.....

খ) অৰ্থনৈতিকভাৱে পিছপৰা লোক বাস কৰা অঞ্চল এটা (Slum Area) ভ্ৰমণ কৰি কিমান মানুহে আৰু ক'ত টেলিভিছনৰ অনুষ্ঠান উপভোগ কৰে সেয়া বিচাৰি উলিয়াওক।

.....

.....

.....

১.৪ দৃশ্য-শ্রব্য প্রচাৰ মাধ্যমৰ প্রভাৱ আৰু প্রসাৰ (IMPACT AND REACH OF AUDIO-VISUAL MEDIA)

টেলিভিছনৰ প্রভাৱ ঃ

এই যন্ত্রটোৱে শিকাব পাৰে, মানসিকভাৱে প্রবুদ্ধ কৰিব পাৰে, ই আনকি অনুপ্রাণিতও কৰিব পাৰে। কিন্তু মানুহে যেতিয়া ইয়াক সেইবোৰ লক্ষ্যপ্রাপ্তিৰ উদ্দেশ্য আগত ৰাখি দৃঢ় প্রত্যয়েৰে ব্যৱহাৰ কৰিব তেতিয়াহে ই তেনে সুফল প্রদান কৰিব। অন্যথা ই তাঁৰ আৰু বৈদ্যুতিক পোহৰেৰে ভর্তি বাকছ এটাৰ বাহিৰে আন একো নহয়।

—এডৱার্ড আৰ. মুৰ'

আপোনালোকে নিশ্চয় এটা কথা মন কৰিছে যে বহুতো সমালোচকে শিশুৰ মেদবহুলতাকে (Obesity) ধৰি হত্যাৰ হাৰ বৃদ্ধি হোৱালৈকে সকলো কথাতে টেলিভিছনক জগৰীয়া কৰে। হয়, টেলিভিছনক সমালোচনা কৰাটো উজু আৰু ভালেমান ক্ষেত্রত এনে সমালোচনা যুক্তিসংগত। কিন্তু আমি পাহৰি গ'লে নহ'ব যে টেলিভিছনে সমাজক বিভিন্ন গুৰুত্বপূর্ণ দিশৰ পৰা উপকৃতও কৰি আহিছে।

এই অধ্যায়টোত আমি টেলিভিছন নামৰ বিশাল মাধ্যমটোৰ ভাল আৰু বেয়া দুয়োটা প্রভাৱৰ বিষয়ে বুজিবলৈ প্রয়াস কৰিম। ছটা প্রধান সমালোচনাৰ দৃষ্টিভংগীৰে আমি টেলিভিছনৰ সামাজিক প্রভাৱ পৰীক্ষা কৰি চাম। এই ছটা সমালোচনা উপস্থাপন কৰাৰ পাছত আমি টেলিভিছনৰ কেইটামান ইতিবাচক প্রভাৱৰ (Positive Effect) ওপৰত আলোকপাত কৰিম।

টেলিভিছনৰ নেতিবাচক প্রভাৱসমূহ (Negative Effects of Television) ঃ

১) **টেলিভিছনে কলা আৰু দর্শকৰ ৰুচিবোধ নিম্নমানৰ কৰি তোলে (Television Debases the Arts and Audience's Tastes) ঃ** দেখিবলৈ পোৱা গৈছে যে টেলিভিছনৰ ছেনেলবোৰে প্রায়েই দর্শকৰ হিতার্থে অনুষ্ঠান প্রচাৰ কৰাৰ সলনি নিজৰ আগ্রহ আৰু স্বার্থজড়িত অনুষ্ঠান প্রচাৰ কৰে। দর্শকে টেলিভিছনত সাময়িক ঘটনাৱলীক লৈ নির্মিত ভাল অনুষ্ঠান, তথ্যচিত্র, জ্ঞান-গভীৰ (In-depth) বাতৰি, 'ভাল' সংগীত আৰু অর্থবহ নাট্য প্রস্তুতি আদি উপভোগ কৰিবলৈ পাব লাগে যাতে তেওঁলোকে বিশ্বত ঘটি থকা ঘটনাক্রম সন্দর্ভত বিশদ জ্ঞান আহৰণ কৰিব পাৰে তথা কলাৰ সুকীয়া ৰসস্বাদন কৰিবলৈ শিকে। এই চাম সমালোচকৰ মতে টেলিভিছনে আমাক এইবোৰ একো নিদিয়ে। তেওঁলোকৰ মতে টেলিভিছনৰ জৰিয়তে আমি কেৱল জনপ্রিয়, নামজ্বলা লোকক লৈ প্রচাৰিত বিভিন্ন গুজব, মুখৰোচক কাহিনী (Celebrity Gossip), খেল আৰু মনোৰঞ্জনৰ খোৰাক যোগোৱা বা-বাতৰি পাওঁ যিবোৰ দৰাচলতে আমাৰ বাবে একেবাৰেই অপ্রয়োজনীয়।

২) **টেলিভিছনে নৈতিক প্রমূল্যৰ মান অধোগামী কৰে (Television Undermines Moral Standards) ঃ** এইচাম সমালোচকৰ মতে আমাৰ নৈতিক প্রমূল্যসমূহৰ অৰক্ষয় ঘটাৰ মূল কাৰণ হ'ল টেলিভিছন। নৈতিকতাৰ ফালৰ পৰা গভীৰ উদ্বেগৰ সৃষ্টি কৰা প্রধান বিষয়বোৰ হ'ল, নিঃসন্দেহে সাময়িকভাৱে স্থাপন কৰা শাৰীৰিক সম্পর্ক (Casual Sex) (বিবাহপূর্ব শাৰীৰিক সম্পর্ক নাইবা কোনো আন্তৰিক দায়বদ্ধতা নথকা শাৰীৰিক সম্পর্ক) আৰু অবাঞ্চিত হিংসা (অদৰকাৰী আৰু চিত্রৰূপপ্রাপ্ত হিংসাক (Graphic Violence) জনপ্রিয়তাৰ তালিকাৰ শীর্ষত উঠাৰ খাতিৰত অনুষ্ঠানবোৰত অন্তর্ভুক্ত কৰা হয়।)

টি.আৰ.পিৰ (TRPs) দৌৰত আগবাঢ়ি থকাৰ স্বার্থত আজিকালি টেলিভিছনৰ বেছিভাগ অনুষ্ঠানতেই যৌনতা (Sex) আৰু হিংসাক (Violence) মহিমামণ্ডিত কৰি দেখুওৱা হয়। ইয়াৰ ফলস্বৰূপে, বিশেষকৈ জনপ্রিয় ধাৰাবাহিকবোৰৰ (Soap Operas) ক্ষেত্রত কাহিনীৰ চৰিত্রই বিয়াৰ পাছত অনৈতিক সম্পর্কত লিপ্ত থকা নাইবা চকুৰ পলকতে দ্বিধাহীনভাৱে কাৰোবাক হত্যা কৰা আদি আমি তেনেই সাধাৰণ কথাৰ দৰে চাবলৈ পোৱা হৈছো। অবাঞ্চিত হিংসা প্রচাৰ কৰা বুলি টেলিভিছনক সমালোচনা কৰা সকলে তথ্য দাঙি ধৰি কৈছে যে ভাৰতীয় শিশু এটা ১৮ বছৰ বয়সীয়া হয়গৈ মানে টেলিভিছনত গড় হিচাপত প্রায় ২০ হাজাৰটা হত্যা প্রত্যক্ষ কৰে। ইয়াৰে অধিকসংখ্যক হত্যাৰে কোনো পৰিণতি নাথাকে আৰু বেছি ভাগকে কোনো সমস্যাৰ 'সমাধান' হিচাপে উপস্থাপন কৰা হয়।

৩) **টেলিভিছনে পলায়নবাদৰ পৃষ্ঠপোষকতা কৰে (Television Encourages Escapism) ঃ** আমাৰ সকলোকে ভাগৰ আঁতৰাবলৈ কিছু সময়ৰ প্রয়োজন, দৈনন্দিন



টি.আৰ.পি. (TRP) ঃ ইয়াৰ অর্থ হৈছে টেলিভিছন ৰেটিং পইণ্টচ্ (Television Rating Points)। দর্শকৰ পছন্দ আৰু কোনো চেনেলৰ জনপ্রিয়তা নির্ধাৰণ কৰিবলৈ TRP ব্যৱস্থাৰ সহায় লোৱা হয়। গণনাৰ সুবিধাৰ বাবে কেবা হাজাৰ দর্শকৰ টেলিভিছন ছেটৰ সৈতে এক বিশেষ সঁজুলি সংযোগ কৰা হয়। বিভিন্ন অঞ্চলৰ টেলিভিছন দর্শকৰ মান নির্ণয় কৰিবলৈ এই ব্যৱস্থা নমুনা হিচাপে লোৱা হয়। এনে পদ্ধতিৰে উলিওৱা তথ্য বিজ্ঞাপন-দাতাসকলৰ বাবে অতি উপযোগী, কিয়নো তেওঁলোকে অধিক দর্শকক আকর্ষিত কৰিবলৈ অধিক TRP প্রাপ্ত অনুষ্ঠানত বিজ্ঞাপন দিয়ে।

জীৱনৰ দায়িত্বসমূহৰ পৰা কিছু অব্যাহতিৰ প্রয়োজন। কিন্তু অৱসৰ বিনোদনৰ উপায় হিচাপে মদ-ড্রাগছ খোৱা, বিৰামহীনভাৱে সামাজিক অনুষ্ঠান-পর্ব ইত্যাদিত (Socializing) ভাগ লোৱা, মাত্রাধিক টেলিভিছন চোৱা আদিক আমাৰ ব্যক্তিগত দায়িত্বসমূহৰ পৰা পলায়ন কৰাৰ পথ হিচাপে বাচি লোৱাৰ লগে লগে সমস্যাৰ সৃষ্টি হয়। কিছুমান লোকৰ মতে টেলিভিছন 'মানুহৰ চেতনাহৰণকাৰী দৰৱ' লৈ (Opiate of the People) ৰূপান্তৰিত হৈছে। টেলিভিছনে আমাক অবাস্তৱ ঘটনা আৰু কাহিনী দেখুৱাই এখন কাল্পনিক জগতত বিচৰণ কৰাৰ সুযোগ দিয়ে। ই উপকাৰতকৈ বেছি অপকাৰ কৰে।

৪) **টেলিভিছনে অর্থনৈতিক শোষণৰ পথ সুগম কৰে (Television Engages in Economic Exploitation)** ঃ বাণিজ্যিক টেলিভিছন হ'ল এটা অর্থ উপার্জনকাৰী ব্যৱসায়— দর্শকক বিজ্ঞাপনত দেখুওৱা সামগ্রীসমূহ কিনি টকা খৰচ কৰাৰ পথ দেখুৱাই ই নিজে অর্থ উপার্জন কৰে।

এই ক্ষেত্রত কোনো এটা অনুষ্ঠানৰ জনপ্রিয়তাই গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। অনুষ্ঠান এটা জনপ্রিয় হোৱা মানেই বিজ্ঞাপনৰ দর্শকৰ সংখ্যাও বৃদ্ধি হোৱা। ইয়াৰ ফলত সামগ্রী বিক্রীৰ হাৰ বাঢ়ে। সহজ অর্থত টেলিভিছনৰ অনুষ্ঠান মানেই হ'ল দর্শকক বিজ্ঞাপন দেখুওৱাৰ এটা সুযোগ। আকৌ, কোনো এবিধ সামগ্রী বিক্রী কৰিবলৈ হ'লে মানুহৰ মনত সামগ্রীবিধৰ 'প্রয়োজনীয়তা'ৰ ধাৰণাটো সৃষ্টি কৰিব লাগিব। সমালোচকৰ মতে জীৱনত 'সঠিক বস্তু'ৰ (Right Things) গৰাকী হ'বৰ বাবে আৰু 'সঠিক ভাৱমূর্তি' (Right Image) বর্তাই ৰাখিবৰ বাবে (মেদহীন, সুগঢ়ী, দেখনিয়াৰ শৰীৰৰ গৰাকী হোৱা ইত্যাদি) আমাক পতিয়ন নিয়াবলৈ বিজ্ঞাপনৰ সহায় লোৱাটো হ'ল অর্থনৈতিক শোষণৰ এটা প্রকাৰ।

৫) **টেলিভিছনে বাস্তৱৰ ভুৱা প্রতিচ্ছবি গঢ়ি তোলে (Television Sets Up False Images of Reality)** ঃ এই সমালোচনা সমর্থনকাৰীসকলৰ মতে টেলিভিছনে গতানুগতিকতাক চিৰন্তন সত্যৰূপে প্রতিষ্ঠা কৰাৰ প্রয়াস কৰে। এই কথা সমাজৰ গৌণ সম্প্রদায়ৰূপে (Minority Group) চিহ্নিত নাৰীসকলৰ ক্ষেত্রত বিশেষভাৱে প্রযোজ্য। উদাহৰণস্বৰূপে, ভাৰতত টেলিভিছন ধাৰাবাহিকবোৰত প্রায়েই ধর্মভীৰু, আজ্ঞাবাহী আৰু দুর্বল গৃহিনীৰ চৰিত্রসমূহক 'গৰিমাময়ী' কিন্তু সপ্রতিভ (Smart), আত্মবিশ্বাসী, স্বনির্ভৰশীল মহিলাৰ চৰিত্রসমূহক 'কুটিল আৰু অসৎ মনোবৃত্তি'ৰ (Scheming and Bad) বুলি দেখুওৱা হয়। এনে বৈশিষ্ট্যহীন গতানুগতিকতা নিঃসন্দেহে প্রকৃত সত্যৰ ওপৰত গুৰুতৰ আঘাতস্বৰূপ। টেলিভিছনে বাস্তৱৰ ভুৱা প্রতিচ্ছবি গঢ়ি তোলে বুলি যিসকলে মত পোষণ কৰে তেওঁলোকৰ মতে দর্শকৰ কাষলৈ তাৎক্ষণিকভাৱে কোনো বার্তা প্রেৰণ কৰিবলৈ অনুষ্ঠান নির্মাতাসকলে বিষয়বোৰ তেনেই সৰল নাইবা এটা

পর্যায়লৈকে 'প্রতীক স্বৰূপ' (Symbolized) কৰি পেলায়।

৬) **টেলিভিছনে ভ্রান্তিৰে বাস্তৱক বিকৃত কৰে (Television Distorts Reality Through Omission)** ঃ টেলিভিছনে কিছুমান কথাত মত প্রকাশ কৰিব নোখোজে নাইবা কিছুমান বিষয় এৰাই চলে। এই কথাটোক ইয়াৰ সবাতোকৈ গুৰুতৰ দোষ বুলি গণ্য কৰা হয়। টেলিভিছনক পক্ষপাতিত্বৰ দোষতো জগৰীয়া কৰা হয়। কোনো এটা বিষয়ৰ এটা দিশক প্রাধান্য দিবলৈ গৈ টেলিভিছনে বিষয়টোৰ আনটো দিশ সম্পূর্ণ আওকাণ কৰে। এইদৰে এটা দিশ বাদ দি টেলিভিছনে বাস্তৱক বিকৃত কৰে।

টেলিভিছনৰ ইতিবাচক দিশসমূহ (Positive Effects of Television)ঃ

১) **বাতৰি আৰু তথ্যৰ বাবে টেলিভিছন হ'ল 'বিশ্বৰ খিৰিকী' (Television is a "window of the world" for news and information)** ঃ বাতৰিকাকত আৰু ছপা মাধ্যমে বাস্তৱৰ পৰা কিছু পৃথক স্তৰ এটাত তথ্য যোগান ধৰে। কিন্তু টেলিভিছনে ঘটি থকা ঘটনাৱলীক ৰং, শব্দ, সময়ৰ ধাৰাবাহিকতা আৰু কেতিয়াবা আনকি ঘটনাৰ সৈতে জড়িত 'আবেগ-অনুভূতি' (Feelings) আদিৰে সৈতে জীৱন্ত ৰূপত আমাৰ বহা কোঠালৈকে কঢ়িয়াই আনে।

আফ্রিকা নাইবা অন্য কোনো দেশত হাজাৰ হাজাৰ শিশু অনাহাৰে থকাৰ কথা পঢ়া আৰু সেই দুর্দশা নিজ চকুৰে প্রত্যক্ষ কৰা দুটা সম্পূর্ণ পৃথক অভিজ্ঞতা। কোনো বিশেষ ৰাজনৈতিক মতাদর্শক সমর্থন কৰা বাবে মানুহ হাৰাশাস্তিৰ সন্মুখীন হোৱাৰ ঘটনা পঢ়া আৰু তেনে অত্যাচাৰৰ বলি হোৱা কোনো ব্যক্তিয়ে নিজে নিজৰ অভিজ্ঞতাৰ বিষয়ে কৰা বর্ণনা নিজ কাণেৰে শুনা, অত্যাচাৰত ঘৃণীয়া হোৱা শৰীৰ (নাইবা কেতিয়াবা তেওঁলোকৰ চকুপানী) নিজ চকুৰে দেখাৰ মাজত আকাশ পাতাল পার্থক্য আছে। এই ক্ষেত্রত পিছৰবিধ নিশ্চিতভাৱে আগৰ বিধতকৈ অধিক নির্ভৰযোগ্য।

যথার্থ খবৰ যোগান ধৰাৰ ক্ষেত্রত বাতৰিকাকতৰ তুলনাত অৱশ্যে টেলিভিছনে অলপ-উপৰুৱা মানসিকতাৰ (Superficial) পৰিচয় দিব পাৰে। তথাপিও এখন ভাল ছবিয়ে সহস্র শব্দতকৈ অধিক কথা বুজাব পাৰে। যথার্থ খবৰ আৰু পৰিসংখ্যাৰ গণ্ডী অতিক্রম কৰি ছবিয়ে আন বহুতো কথা প্রকাশ কৰিব পাৰে। গণতন্ত্রত ভোট দিওঁতাক প্রয়োজনীয় তথ্যৰ যোগান ধৰি সঠিক সিদ্ধান্ত গ্রহণ কৰি ভোট দান কৰাত সহায় কৰিবলৈ টেলিভিছন ব্যৱহাৰ কৰিব পাৰি। যেতিয়া টেলিভিছনৰ কার্যসূচীবোৰ দায়িত্বশীলভাৱে নির্মাণ কৰা হয় আৰু ইয়াক সমালোচনাত্মক শিক্ষিত লোকৰ দৃষ্টিভংগীৰে চোৱা হয়, তেতিয়া ই ব্যক্তি আৰু ঘটনাৰ বাহ্যিক কৃত্রিমতাৰ আৱৰণ আঁতৰ কৰি তাৰ আঁৰত লুকাই থকা বাস্তৱৰ আভাস দিবলৈ সক্ষম হয়।

কোনো ঘটনা যি ধৰণে ঘটে সেই ধৰণেই চোৱাৰ সুযোগ দি টেলিভিছনে আমাক ঘটনাবোৰৰ 'চাক্ষুস সাক্ষী' কৰি তোলে। আমি কোনো দেশৰ ওপৰত চলা হিংসাত্মক

বহিঃ-আক্রমণকে ধৰি 'বিগ বছ'ৰ দৰে নানা ঘটনা-অনুষ্ঠানৰ সাক্ষী হ'ব পাৰো। এই ক্ষেত্রত টেলিভিছনে দূৰত্বৰ বাধা অতিক্রম কৰি আমাৰ ইন্দ্রিয়ানুভূতিৰ সম্প্রসাৰণ ৰূপে (Extension of our Senses) স্থান দখল কৰিবলৈ সমর্থ হৈছে।

২) **টেলিভিছনে অৱসৰ উপভোগ কৰাৰ সুযোগ দিয়ে (Television provides relaxation) ঃ** ইয়াৰ আগৰ শিতানত ইতিমধ্যে আমি এই বিষয়টো অলপ বহলাই আলোচনা কৰিছো।

মূল কথা হ'ল টেলিভিছনে আমাক আমাৰ দৈনন্দিন সমস্যাবোৰৰ পৰা সাময়িকভাৱে আঁতৰি থকাৰ আৰু অন্য লোকৰ অভিজ্ঞতাৰে নিজকে অভিজ্ঞ কৰি তোলাৰ সুযোগ প্রদান কৰে।

টেলিভিছনত কলা-শিল্পজগতৰ সৃষ্টিসমূহৰ সৌন্দর্য আৰু মহিমা দেখি আমি মুগ্ধ হ'ব পাৰো, কোনো ক্রীড়া উৎসৱৰ আনন্দ-উত্তেজনাৰ ভাগ লৈ আপোন পাহৰা হ'ব পাৰো নাইবা নিজকে কিছু সময়ৰ বাবে কল্পনাৰ জগতত বিচৰণ কৰিবলৈ এৰি দিবও পাৰো। এনে অৱসৰে আমাৰ মনবোৰ সজীৱ কৰি তোলে। কেতিয়াবা আনকি হেৰাই যোৱা আশা আৰু বিশ্বাসো পুনৰ আমাৰ মনলৈ উভতি আহে।

৩) **টেলিভিছনে নতুন ধাৰণা আৰু তথ্যৰ সৈতে পৰিচয় কৰাই দিয়ে (Television introduces new ideas and information) ঃ** গণ প্রচাৰ মাধ্যমসমূহ নথকা সময়ত স্বাস্থ্যৰ প্রতি ভাবুকিৰ সৃষ্টি কৰা কোনো গুৰুত্বপূর্ণ বিষয়, কোনো নতুন দৰৰ নাইবা কোনো কাম সম্পন্ন কৰাৰ উন্নত পদ্ধতি আদিৰ বিষয়ে সাধাৰণ ৰাইজক সজাগ কৰি তুলিবলৈ বহু মাহ, বহু বছৰৰ প্রয়োজন হৈছিল।

বর্তমান এই সময় তেনেই চমু হৈ পৰিছে। কোনো তথ্য প্রচাৰ কৰিবলৈ এতিয়া হয়তো এদিন নাইবা মাত্র কেইঘণ্টামান সময়ৰহে প্রয়োজন হয়।

এনেদৰে প্রচাৰিত তথ্যৰ ভিতৰত আমাৰ জীৱন সহজ আৰু সুৰক্ষিত কৰি তুলিব পৰা নতুন সামগ্রী তথা সেৱাৰ খবৰ, নতুন ৰন্ধন প্রণালী, প্রয়োজনীয় সুৰক্ষা প্রক্রিয়াৰ বিজ্ঞাপন, গৃহসজ্জা আৰু ঘৰ মেৰামতিৰ দিহা-পৰামর্শ ইত্যাদি থাকিব পাৰে।

টেলিভিছনৰ অগ্রগতিৰ লগে লগে আমিও গণি শেষ কৰিব নোৱাৰা নিত্য-নতুন ধাৰণাৰ মাজত ডুব গৈছো। আমি ধাৰণাবোৰ তুলনা কৰি চাব পাৰো, মূল্যায়ন কৰিব পাৰো আৰু তাৰ পাছত গ্রহণ কৰিম নে বর্জন কৰিম সেয়া সিদ্ধান্ত ল'ব পাৰো। ইয়াৰোপৰি, উন্নয়নৰ তথ্য যোগান ধৰাত আৰু আধুনিকতাৰ প্রক্রিয়াটোৰ পৃষ্ঠপোষকতা কৰাত টেলিভিছনৰ প্রভাৱ অপৰিসীম। উন্নয়নমূলক কার্যসূচীসমূহত ৰাজহুৱা অংশগ্রহণ আৰু সমর্থনক উদ্‌গনি যোগাই, ৰাষ্ট্রীয় সুৰক্ষাৰ বিষয়টোক সংৰক্ষণ প্রদান কৰি তথা ৰাষ্ট্রীয় সংহতিৰ লক্ষ্যক অগ্রগামী কৰি টেলিভিছনে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰি আহিছে। এই ক্ষেত্রত আমি ভাৰতত টেলিভিছনৰ প্রাথমিক কামৰ বিষয়ে জানো আহক। ভাৰতত টেলিভিছনে মনোৰঞ্জনৰ বাহিৰেও আৰু অনেক কাম কৰে। ইয়াৰ প্রথম আৰু প্রধান

কাম আছিল শিক্ষাৰ জৰিয়তে উন্নয়ন, তথ্য প্রচাৰ আৰু বৃহত্তৰ জনগণৰ জীৱনৰ গুণমান উন্নত কৰাৰ প্রয়াস কৰা। এই কামবোৰৰ আঁৰৰ লক্ষ্য আছিল দেশৰ সকলো সম্প্রদায় আৰু সমাজ, ধর্ম তথা ৰাজ্যৰ সংস্কৃতি, ঐতিহ্য আৰু পৰম্পৰা সংৰক্ষণ কৰি পাৰস্পৰিক সজাগতা বৃদ্ধিৰ জৰিয়তে সকলোকে এটা জাতি হিচাপে একত্রিত কৰা। আমি সকলোৱে জানো যে ভাৰতবর্ষ হৈছে এখন বহু জাতি, জনজাতি, ভাষা-ভাষী আৰু ধর্মৰ মিলনভূমি। টেলিভিছনে ইয়াৰ বর্ধিত নেটৱর্কৰ দ্বাৰা দেশৰ অতি ভিতৰুৱা অঞ্চললৈকে গতি কৰিছে। ভাৰতীয় সভ্যতা, সাংস্কৃতিক সুন্দৰভাৱে আধুনিক জীৱনশৈলীৰ সৈতে একত্রিত কৰাত টেলিভিছনৰ যথেষ্ট অৰিহণা আছে। টেলিভিছনে মানুহৰ তথ্য গ্রহণ আৰু পৃথিৱীক জনাৰ প্রক্রিয়াটোলৈ এক আমূল পৰিৱর্তন আনিবলৈ সক্ষম হৈছে। ই মানুহক জীৱনৰ প্রত্যক্ষ অভিজ্ঞতা আৰু পৰিৱেশৰ পৰা আঁতৰ কৰি এনে এটা পৰোক্ষ অভিজ্ঞতাৰে সমৃদ্ধ হোৱাৰ সুযোগ দিয়ে যিটোৱে আমাক নিজৰ পৰা বহু যোজন আঁতৰত সংঘটিত ঘটনা এটা পোনপটীয়াকৈ প্রত্যক্ষ কৰাৰ পথ মুকলি কৰি দিয়ে।

ভাৰতত টেলিভিছন নামৰ এই দৃশ্য-শ্রব্য প্রচাৰ মাধ্যমটোৱে সমাজখনৰ একত্রীকৰণত এটা উল্লেখযোগ্য প্রভাৱ পেলাবলৈ সক্ষম হৈছে। বহুভাষিক, বহুজাতিক ভাৰতীয় সমাজখনৰ এটা উমৈহতীয়া সাধাৰণ চৰিত্র গঠনত টেলিভিছনে এটা গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছে। ইয়াৰ প্রভাৱত পৰিস্থিতি অথবা ঘটনা সাপেক্ষে আমাৰ সামাজিক প্রতিক্রিয়া একে হয়, ব্যক্তিগত আৰু সামাজিক যোগাযোগৰ ক্ষেত্রত উমৈহতীয়া সঁহাৰি বিকশিত হোৱা দেখা যায়, বিভিন্ন বিশ্বাস আৰু জীৱনশৈলীত অভ্যস্ত লোকৰ মাজত পাৰস্পৰিক প্রশংসাৰ ভাৱ অক্ষুণ্ণ থাকে।

টেলিভিছনে দেশৰ জনসাধাৰণক ৰাজনৈতিক শিক্ষাৰেও শিক্ষিত কৰি তুলিছে। দেশত ঘটা বিভিন্ন ৰাজনৈতিক ঘটনাৰ টেলিভিছনে বিস্তৃত দৃশ্য-শ্রব্য বিৱৰণী প্রচাৰ কৰে। ফলত মানুহ আগতকৈ অধিক ৰাজনৈতিক জ্ঞানেৰে পুষ্ট হৈছে, দেশক তথা বিশ্বক প্রভাৱিত কৰি বিষয়বোৰ সম্পর্কে সজাগ হৈছে।

প্রসাৰ (Reach) ঃ ভাৰতলৈ টেলিভিছনৰ আগমন ঘটে ১৯৫৯ চনত। 'ইউনেস্ক'ৰ (USESCO) সমর্থনপুষ্ট শৈক্ষিক প্রকল্প এটা প্রচাৰৰ বাবে ই আত্মপ্রকাশ কৰিছিল। যাঠিৰ দশকত টেলিভিছনৰ বিকাশ আৰু বৃদ্ধি তেনেই লেহেমীয়া আছিল। সত্তৰ দশকৰ মাজভাগৰ পৰা অতি দ্রুতগতিত টেলিভিছনৰ দর্শকৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰে। ইয়াৰ মূল কাৰণ হ'ল ছেটেলাইট ইনষ্ট্রাকশ্যনেল টেলিভিছন এক্সপেৰিমেণ্টৰ (SITE) কার্য ৰূপায়ণ। এই আঁচনিৰ অধীনত ভাৰতৰ ছখন ৰাজ্যৰ ২৪০০ খন গাঁৱত টেলিভিছন কার্যসূচী সম্প্রচাৰ কৰা হৈছিল। এ.টি.এছ-৬ (ATS-6) নামৰ আমেৰিকান কৃত্রিম উপগ্রহ এটাৰ জৰিয়তেও ভাৰতৰ গ্রামাঞ্চলসমূহত শৈক্ষিক কার্যসূচী সম্প্রচাৰ কৰা হৈছিল। এই কৃত্রিম উপগ্রহটোৰ সহায়তেই ভাৰতীয় প্রযুক্তিবিদসকলে টেলিভিছনত কার্যসূচী সম্প্রচাৰ কৰা প্রাৰম্ভিক কৌশলসমূহ আয়ত্ব কৰিছিল। ইয়াৰ আঠ বছৰ পাছত প্রযুক্তিবিদসকলে প্রথমটো ৰাষ্ট্রীয় কৃত্রিম উপগ্রহ 'ইনছেট' (INSAT) মহাকাশলৈ প্রেৰণ কৰে।



ইউনেস্ক (USESCO) ঃ ইউনাইটেড নেশ্যনছ্ এডুকেশ্যনেল ছাইণ্টিফিক এণ্ড কালছাৰেল অর্গেনাইজেশ্যন অর্থাৎ ৰাষ্ট্রসংঘৰ শৈক্ষিক বৈজ্ঞানিক তথা সাংস্কৃতিক সংস্থা।

ইনছেট (INSAT) ঃ ইণ্ডিয়ান নেশ্যনেল ছেটেলাইট।

ৰাজহুৱা সেৱা সম্প্রচাৰক (Public Service Broadcaster) ঃ ৰাজহুৱা সেৱা সম্প্রচাৰকে দর্শকক তথ্য যোগান ধৰি সমাজৰ উন্নতি সাধন কৰাৰ লক্ষ্য আগত ৰাখি সাধাৰণতে অনুষ্ঠান সম্প্রচাৰ কৰে। ব্যৱসায়িক সম্প্রচাৰকসমূহে বিপুল সংখ্যক দর্শকক আকর্ষণ কৰিবলৈ জনপ্রিয় বিষয়ৰ ওপৰত নির্মিত অনুষ্ঠান সম্প্রচাৰ কৰে, বিজ্ঞাপন আৰু পৃষ্ঠপোষকৰ পৰা যিমান পাৰি সিমান অধিক শুল্ক (Revenue) সংগ্রহ কৰে।

ট্রান্সমিটাৰ/প্রেৰক যন্ত্র (Transmitter) ঃ এণ্টেনাৰ সহায়ত সাধাৰণতে কার্য সম্পাদন কৰা এটা বৈদ্যুতিক যন্ত্র। ৰেডিঅ', টেলিভিছন অথবা অন্য টেলিসংযোগ (Telecommunication) সঁজুলিৰ পৰা নির্গত ইলেক্ট্র'মেগনেটিক সংকেত (Electromagnetic Signal) প্রচাৰ কৰে।

সম্প্রতি আমাৰ দেশৰ ৰাজহুৱা সেৱা সম্প্রচাৰক (Public Service Broadcaster) 'দূৰদর্শন' হ'ল স্থলভাগেদি (Terrestrial) সেৱা আগবঢ়োৱা বিশ্বৰ সর্ববৃহৎ টেলিভিছন নে'টৱর্ক। স্থলভাগত স্থাপন কৰা প্রায় ১০৪৪টা ট্রান্সমিটাৰৰ (Transmitter)/প্রেৰক যন্ত্রৰ বিশাল নে'টৱর্কৰ মাধ্যমেৰে দেশৰ ৯০ শতাংশতকৈও অধিক বাসিন্দাই দূৰদর্শনৰ অনুষ্ঠানবোৰ উপভোগ কৰিব পাৰে। ইয়াৰে সিংহভাগ কৃতিত্বৰ গৰাকী হ'ল ভূতপূর্ব প্রধানমন্ত্রী ইন্দিৰা গান্ধী। প্রয়াত গান্ধীয়ে দেশৰ তথ্য আৰু সম্প্রচাৰ মন্ত্রী হিচাপে কার্যনির্বাহ কৰি থকা সময়ত ভাৰতত কৃত্রিম উপগ্রহভিত্তিক টেলিভিছন সেৱা প্রসাৰৰ প্রতি পূর্ণ সমর্থন আগবঢ়াইছিল। শ্রীমতী গান্ধীয়ে টেলিভিছনক গ্রাম্য ভাৰতৰ উন্নয়নৰ বাবে প্রয়োজনীয় এক গুৰুত্বপূর্ণ আহিলা হিচাপে গণ্য কৰিছিল। অৱশ্যে সমালোচকসকলে ক'ব খোজে যে টেলিভিছনক ৰাজনৈতিক উদ্দেশ্য প্রণোদিত প্রচাৰৰ মাধ্যমৰূপে ব্যৱহাৰ কৰাটোহে তেওঁৰ প্রধান লক্ষ্য আছিল। যিয়েই নহওঁক, প্রয়াত প্রধানমন্ত্রীগৰাকীৰ সমর্থন আৰু পৃষ্ঠপোষকতাতে ১৯৮২ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা এছিয়ান গেমছৰ সময়ত ভাৰতলৈ ৰঙীণ টেলিভিছনৰ আগমন ঘটে। ১৯৮৩ চনত দেশৰ যোগাযোগ স্থাপনকাৰী কৃত্রিম উপগ্রহ 'ইনছেট' (INSAT) মহাকাশলৈ প্রেৰণ কৰা হয়। ফলত দর্শকে আগতকৈ অধিক শক্তিশালী টেলিভিছন সংকেত পাবলৈ ধৰিলে।

১৯৭৬ চনলৈকে দূৰদর্শন আছিল আকাশবাণী, অর্থাৎ অল ইণ্ডিয়া ৰেডিঅ'ৰ এটা অংশ। প্রথম অৱস্থাত দূৰদর্শনৰ এটা ৰাষ্ট্রীয় আৰু সাতটা আঞ্চলিক নে'টৱর্ক আছিল। ১৯৯২ চনত দেশত ৬৩টা উচ্চ ক্ষমতাসম্পন্ন প্রেৰক যন্ত্র (High Power Transmitters, HTPs), ৩৬৯টা মধ্যম ক্ষমতাসম্পন্ন প্রেৰক যন্ত্র (MPTs), ৭৬টা নিম্ন ক্ষমতাসম্পন্ন প্রেৰক যন্ত্র (LPTs) আৰু ২৩টা ট্রান্সপ'ণ্ডাৰ (Transponders) আছিল। ২০০২ চনৰ ৩১ মে' তাৰিখলৈকে দূৰদর্শনৰ ১৪১৪টা প্রেৰক যন্ত্র, ৫৬টা ষ্টুডিঅ' চেণ্টাৰ আৰু 'জ্ঞান দর্শন'কে ধৰি ২৩টা ছেটেলাইট ছেনেল আছিল। দূৰদর্শনৰ প্রধান ছেনেল 'ডি ডি ওৱান (নেশ্যনেল)'এ (DD1-National) ভিন ভিন ক্ষমতা-সম্পন্ন ১১৮৮টা প্রেৰক যন্ত্রৰ বিশাল নে'টৱর্ক এটাৰ মাধ্যমেৰে অনুষ্ঠান প্রচাৰ কৰে। দেশৰ মুঠ স্থলভাগৰ ৭৭.৫ শতাংশ আৰু মুঠ জনসংখ্যাৰ ৮৯.৬ শতাংশক দূৰদর্শনৰ সেৱাই সামৰি লয়।

১৯৯১ চনত আন্তঃৰাষ্ট্রীয় ছেটেলাইট টেলিভিছনে ভাৰতত প্রৱেশ কৰে। চি.এন.এন. (CNN)এ পোন প্রথমবাৰৰ বাবে ভাৰতত টেলিভিছন দর্শকক উপসাগৰীয় যুদ্ধৰ (Gulf War) খবৰ চোৱাৰ সুযোগ দিয়ে। ১৯৯২ চনৰ প্রথমার্ধত দেশৰ প্রায় পাঁচ লাখ টেলিভিছন ছেট থকা পৰিয়ালে ষ্টাৰ টিভিৰ (Star TV) অনুষ্ঠান উপভোগ কৰিবলৈ লয়। এবছৰৰ পাছতেই এই সংখ্যা প্রায় বিশ লাখ হয়গৈ। ১৯৯৪ চনৰ শেষৰ ফালে আনুমানিক এক কোটি বিশ লাখ পৰিয়ালে (মুঠ টেলিভিছন থকা পৰিয়ালৰ এক চতুর্থাংশতকৈ কিছু কম) ছেটেলাইট ছেনেলৰ কার্যসূচী চাবলৈ আৰম্ভ কৰে। দর্শকৰ এনে অভূতপূর্ব সংখ্যা বৃদ্ধিৰ আঁৰত আছিল সমগ্র দেশতে কাঠফুলাৰ দৰে গজি উঠা প্রায় ৬০ হাজাৰ ক্ষুদ্র কেব্‌ল অপাৰেটৰ। ১৯৭৬ চনত ভাৰতত টেলিভিছন ছেটৰ সংখ্যা আছিল প্রায় পাঁচ লাখ। ১৯৮৭ চনৰ আৰম্ভণিত এই সংখ্যা হয়গৈ নব্বৈ লাখ। ১৯৯৪ চনৰ তথ্য অনুসৰি এই সংখ্যাই প্রায় চাৰি কোটি সত্তৰ লাখৰ ঘৰ স্পর্শ কৰিছিল। ২০০০ চনৰ

তথ্য মতে ভাৰতৰ মুঠ জনসংখ্যাৰ প্ৰায় ৫০ শতাংশই হ'ল টেলিভিছনৰ নিয়মীয়া দৰ্শক।

শেষত, ওপৰৰ আলোচনৰ পৰা ক'ব পাৰি যে ভাৰততে টেলিভিছনৰ এই বৰ্ধিত প্ৰসাৰৰ মূলতে হ'ল স্থলভাগত প্ৰায় ১০০০টা প্ৰেৰক যন্ত্ৰ স্থাপন কৰাৰ বাবে বুনিয়াদী সা-সুবিধাসমূহ গঢ়ি তুলিবলৈ কৰা বৃহৎ অংকৰ বিনিয়োগ। এই প্ৰেৰক যন্ত্ৰবোৰে চৌপাশৰ অঞ্চলবোৰলৈ শক্তিশালী ছেটেলাইট সংকেত প্ৰেৰণ কৰে। টেলিভিছনৰ বিকাশ ঘটাৰ মূল কাৰণ হ'ল ই সম্প্ৰচাৰ কৰা এনে কেতবোৰ অনুষ্ঠান যিবোৰে প্ৰভূত জনপ্ৰিয়তা অৰ্জন কৰাৰ লগতে ভাৰতীয় দৰ্শকৰ মন মুহিবলৈ সক্ষম হৈছিল। দূৰদৰ্শনৰ এই জয়যাত্ৰাৰ সূচনা কৰিছিল ধাৰাবাহিক 'হ ম লোগ'এ (১৯৮৪-৮৫)। তাৰ পাছত এই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিছিল বুনিয়াদ, ৰামায়ণ, মহাভাৰত আদি অনুষ্ঠানে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ টেলিভিছনে কেনেদৰে অৰ্থনৈতিক শোষণৰ পথ সুচল কৰে বুলি আপুনি ভাবে?

.....

.....

.....

.....

.....

.....

.....

প্ৰশ্ন নং ২ ঃ 'টেলিভিছনে ব্যস্ততাৰ পৰা নিস্তাৰ পোৱাত আৰু প্ৰয়োজনীয় অৱসৰ উপভোগ কৰাৰ সুযোগ দিয়ে' —আলোচনা কৰক।

.....

.....

.....

.....

.....

চিন্তা চৰ্চা কৰক

ক) টেলিভিছন চোৱা ২৫ জন মানুহৰ সৈতে কথা পাতক। তেওঁলোক প্ৰত্যেককে টেলিভিছনত প্ৰদৰ্শিত অনুষ্ঠানসমূহৰ দুটাকৈ ভালপোৱা আৰু বেয়া পোৱা বিষয় ক'বলৈ দিয়ক। আপুনি সংগ্ৰহ কৰা তথ্যবোৰ জুকিয়াই চাই টেলিভিছনৰ সাধাৰণ ব্যক্তিৰ ওপৰত কেনে প্ৰভাৱ পৰে সেয়া ব্যাখ্যা কৰক।

.....

.....

.....

১.৫শ্রব্য প্রচাৰ মাধ্যম বনাম দৃশ্য-শ্রব্য প্রচাৰ মাধ্যম (AUDIO MEDIA VS. AUDIO-VISUAL MEDIA)

ৰেডিঅ' হ'ল এটা শ্রব্য মাধ্যম কাৰণ কোনো বার্তা প্রেৰণ কৰিবলৈ ই কেৱল ধ্বনি উপাদানটো ব্যৱহাৰ কৰে। এতিয়ালৈকে ৰেডিঅ'ই হ'ল সহজে এঠাইৰ পৰা আন এঠাইলৈ কঢ়িয়াই লৈ ফুৰিব পৰা গণ প্রচাৰ মাধ্যমৰ একমাত্র আহিলা। ই আজিও মনোৰঞ্জন আৰু তথ্য যোগান ধৰা বিশ্বৰ এটা প্রধান মাধ্যমৰূপে নিজৰ পৰিচয় অক্ষুণ্ণ ৰাখিছে। কেৱল শব্দৰ সহায়তহে শ্রোতাৰ সৈতে সংযোগ স্থাপন কৰিব পৰা এই মাধ্যমটোক 'দৃষ্টিহীন মাধ্যম' (Blind Medium) বুলিও কোৱা হয়। শ্রব্য মাধ্যম আৰু দৃশ্য-শ্রব্য মাধ্যম, অর্থাৎ ৰেডিঅ' আৰু টেলিভিছনৰ মাজত কেতবোৰ বিশিষ্ট পার্থক্য আছে।

ৰেডিঅ' যেনেদৰে এটা শ্রব্য মাধ্যম, একেদৰে টেলিভিছন হ'ল এটা দৃশ্য-শ্রব্য প্রচাৰ মাধ্যম। টেলিভিছনক দৃশ্য-শ্রব্য মাধ্যম বোলাৰ কাৰণ হ'ল ইয়াত শব্দ আৰু চিত্র দুয়োটা উপাদানেই থাকে। ৰেডিঅ' শব্দৰ ওপৰত নির্ভৰশীল কিন্তু টেলিভিছনত শব্দ, ছবি, গতিময়তা আৰু ৰঙৰ সংমিশ্রণ দেখা পোৱা যায়। অন্য কোনো মাধ্যমেই এইদৰে দৃশ্য, শব্দ, গতিময়তা আৰু ৰঙৰ সমাহাৰেৰে ইমান অনন্য সুন্দৰভাৱে প্রত্যয়জনক সংযোগ স্থাপন কৰিব নোৱাৰে। এই আটাইবোৰ বিশেষত্বৰ সংযোগে টেলিভিছনক দর্শকৰ ওচৰত অধিক বিশ্বাসযোগ্য কৰি তুলিছে।

ৰেডিঅ' বনাম টেলিভিছন (Radio vs. Television) ঃ ছপা মাধ্যম হ'ল কেৱল শিক্ষিত লোকৰ বাবে। ৰেডিঅ' আৰু টেলিভিছন উভয়েই দেশৰ নিৰক্ষৰ নাগৰিকৰ মনোৰঞ্জন কৰিব পাৰে। নিচেই কম আনুষ্ঠানিক শিক্ষা থকা আৰু আর্থ-সামাজিকভাৱে তেনেই নিম্নখাপৰ সমাজখনৰ বাসিন্দায়ো ৰেডিঅ' আৰু টেলিভিছনৰ কার্যসূচী উপভোগ কৰিব পাৰে। ৰেডিঅ'ৰ অনুষ্ঠান শুনিবলৈ নাইবা টেলিভিছন চাবলৈ কোনো লোক সাক্ষৰ অথবা শিক্ষিত হোৱাৰ প্রয়োজন নাই। অৱশ্যে এই দুই প্রচাৰ মাধ্যমৰ মাজত কিছুমান প্রাথমিক পার্থক্য আছে ঃ

- টেলিভিছন হ'ল দুয়োটাৰে ভিতৰত অধিক প্রত্যয়জনক মাধ্যম। ইয়াত দৃশ্য, শব্দ আৰু গতিশীলতা আটাইকেইটা উপাদানৰে সংযোগ ঘটে। দৃশ্যসমূহৰ গতিশীলতা আৰু

তাৰ সৈতে খাপ খোৱা শব্দই টেলিভিছন চোৱাৰ চাক্ষুষ অভিজ্ঞতাক (Visual Experience) অধিক প্ৰাণৱন্ত আৰু অৰ্থবহ কৰি তোলে। সেয়েহে ক'ব পাৰি যে কেৱল ধ্বনি উপাদানৰ ওপৰত নিৰ্ভৰশীল ৰেডিঅ' নাইবা আন কোনো গণ প্ৰচাৰ মাধ্যমতকৈ টেলিভিছনে দৰ্শকৰ আগত নিজৰ বিশ্বাসযোগ্যতা প্ৰতিপন্ন কৰি আস্থা আদায় কৰিবলৈ সক্ষম হৈছে।

- ৰেডিঅ' হ'ল এটা ব্যক্তিগত আৰু সহজে কঢ়িয়াই লৈ ফুৰিব পৰা মাধ্যম। ৰেডিঅ'ৰ এই সুবিধাটোৰ বাবে টেলিভিছনতকৈ সহজে আৰু সুবিধাজনকভাৱে ইয়াৰ সেৱা উপভোগ কৰিব পাৰি। অধিকাংশ ৰেডিঅ' বেটাৰীৰে চলে। মানুহে বেটাৰী সহজে লগত লৈ ফুৰিব পাৰে বাবে ৰেডিঅ' য'তে-ত'তে, যেনে— ঘৰত, বাছত, পাকঘৰত, পথাৰত শুনিব পাৰি। ৰেডিঅ'ৰ তুলনাত টেলিভিছন ছেটবোৰ ডাঙৰ আৰু গধুৰ। ইয়াক সহজে কঢ়িয়াই লৈ ফুৰিব পৰা নাযায়। ইয়াৰ উপৰি টেলিভিছন ছেট সক্ৰিয় কৰিবলৈ বিদ্যুতৰ প্ৰয়োজন। সেয়েহে ইয়াক এটা নিৰ্দিষ্ট স্থানত ৰাখিব লাগে।
- টেলিভিছনৰ তুলনাত ৰেডিঅ' ছেট এটাৰ মূল্য তেনেই কম। সেয়েহে সমাজৰ দুখীয়া শ্ৰেণীৰ লোকে ৰেডিঅ' কিনে। আজিৰ তাৰিখত মাত্ৰ সত্তৰ টকাতে এটা ৰেডিঅ' ছেট কিনিবলৈ পোৱা যায়। কিন্তু সবাতোকৈ কমদামী টেলিভিছন ছেট এটাৰ দাম এহেজাৰ টকাৰ কম নহ'ব।
- টেলিভিছন হ'ল এটা ব্যয়বহুল মাধ্যম। টেলিভিছনৰ অনুষ্ঠান এটা নিৰ্মাণ কৰাৰ খৰচ ৰেডিঅ' অনুষ্ঠান এটাতকৈ বহু গুণে অধিক। ইয়াৰ কাৰণ হ'ল টেলিভিছন অনুষ্ঠান এটা নিৰ্মাণৰ সময়ত ব্যৱহাৰ হোৱা প্ৰযুক্তি আৰু নিৰ্মাণ প্ৰক্ৰিয়াটো যথেষ্ট খৰচি, বিস্তৃত আৰু জটিল। টেলিভিছনৰ তুলনাত ৰেডিঅ' আপেক্ষিকভাৱে কম খৰচী। অনুষ্ঠান যুগুত আৰু প্ৰস্তুত কৰা প্ৰক্ৰিয়াটো অলপ পুৰণি। এটা ৰেডিঅ' অনুষ্ঠান তৈয়াৰ কৰোতে প্ৰয়োজন হোৱা প্ৰযুক্তিবোৰ চোৱা-চিতাৰ নামতো বেছি খৰচ কৰিবলগীয়া নহয়। উন্নয়নশীল দেশবোৰৰ সামৰ্থ সীমাৰ ভিতৰতে ৰেডিঅ'ই সেৱা আগবঢ়াই যাব পাৰে।
- এটা ৰেডিঅ' অনুষ্ঠানতকৈ এটা টেলিভিছন অনুষ্ঠান তৈয়াৰ কৰি উলিয়াবলৈ অধিক সময়ৰ প্ৰয়োজন হয়। টেলিভিছন অনুষ্ঠান এটাৰ বাবে শ্ৰব্য বিৱৰণীৰ সৈতে মিলাকৈ দৃশ্য দেখুৱাবলৈ দৃশ্যগ্ৰহণ কৰিব লাগে। কিন্তু এটা ৰেডিঅ' অনুষ্ঠানত কেৱল শব্দৰ সহায়তে শ্ৰোতাৰ মানসপটত দৃশ্য সৃষ্টি কৰাৰ প্ৰয়াস কৰা হয়। ইয়াৰ ফলত ৰেডিঅ' অনুষ্ঠান সহজেই 'অন এয়াৰ' (on air) অৰ্থাৎ প্ৰচাৰ কৰিব পাৰি।
- টেলিভিছন হ'ল এটা জাক-জমকতাপূৰ্ণ মনোৰম মাধ্যম। মাধ্যমটোৰ প্ৰকৃতি অনুসৰিয়েই টেলিভিছনৰ বাবে নিৰ্মিত অনুষ্ঠানবোৰৰ বেছিভাগেই মনোৰঞ্জনধৰ্মী হয়। টেলিভিছনৰ অনুষ্ঠানসমূহৰ প্ৰধান লক্ষ্য হ'ল সমাজৰ স্বচ্ছল শ্ৰেণীটো। কাৰণ ভাৰতত আজিও টেলিভিছন প্ৰধানতঃ এটা 'নগৰীয় পৰিঘটনা' (Urban Phenomenon)। আনহাতে কম খৰচী হোৱা হেতুকে ৰেডিঅ' হ'ল দেশৰ দুখীয়া জনসাধাৰণৰ মাজত অধিক

জনপ্রিয় মাধ্যম। এই কথাটোলৈ লক্ষ্য ৰাখি বেছিভাগ ৰেডিঅ' অনুষ্ঠানেই দেশৰ গ্রামাঞ্চলৰ বাসিন্দাসকলৰ বাবে প্রচাৰ কৰা হয়। কৃষি, পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা ইত্যাদি বিষয়ৰ ওপৰত যুগুত কৰা তথ্যভিত্তিক আৰু দিহা-পৰামর্শ সম্বলিত নানান অনুষ্ঠান ৰেডিঅ'ই প্রচাৰ কৰে। অৱশ্যে বিগত কেইবছৰমানত দেশৰ নগৰ কেন্দ্রসমূহত এফ.এম. ৰেডিঅ'ই (FM Radio) গভীৰ প্রভাৱ পেলাবলৈ সক্ষম হৈছে। এই ক্ষেত্রত মন কৰিবলগীয়া কথাটো হ'ল এফ.এম ৰেডিঅ' দৰাচলতে এটা মনোৰঞ্জনকেন্দ্রিক মাধ্যম।

- ৰেডিঅ' অনুষ্ঠানবোৰৰ কথোপকথন প্রকৃতিটোৰ বাবে ইয়াক এটা অতি ঘনিষ্ঠ আৰু মিত্রতাপূর্ণ মাধ্যম হিচাপে গণ্য কৰা হয়। ৰেডিঅ'ই নির্দিষ্ট শ্রোতাক সম্বোধন কৰে। টেলিভিছন হ'ল এটা নৈর্ব্যক্তিক মাধ্যম (Impersonal Medium)। ই দর্শক গোটক উদ্দেশ্যি অনুষ্ঠান প্রচাৰ কৰে।
- ৰেডিঅ' অনুষ্ঠানসমূহ অতি নিখুঁত। ৰেডিঅ' অনুষ্ঠানক প্রতিটো সম্প্রদায়ৰ বাবে উপযুক্ত কৰি তুলিবলৈ স্থানীয়কৰণ কৰিব পৰা যায়। স্থানীয় বা-বাতৰি, ঘটনা আদি প্রচাৰ কৰি স্থানীয় শ্রোতাৰ মন জয় কৰিব পৰা যায়। টেলিভিছন হ'ল এটা গণ মাধ্যম। সাধাৰণতে প্রতিটো কেন্দ্রই সকলোকে কিবা নহয় কিবা প্রকাৰে মনোৰঞ্জনৰ খোৰাক যোগায়। যেনে— পুৰুষৰ কাৰণে খেল, গৃহিনীৰ কাৰণে ধাৰাবাহিক (Soap Operas) আৰু সৰু ল'ৰা-ছোৱালীৰ কাৰণে কার্টুন ইত্যাদি।
- মানুহে আন কাম কৰি থকাৰ মাজতে, যেনে— ভাত ৰান্ধোতে, দাঢ়ি খুৰাওঁতে, গাড়ী চলাই থাকোতে ৰেডিঅ' শুনিব পাৰে। কিন্তু টেলিভিছন চাই থকাৰ সময়ত নাইবা বাতৰিকাকত পঢ়ি থাকোতে অইন কাম কৰিব নোৱাৰি। টেলিভিছনে দর্শকৰ সর্বাধিক মনোযোগ বিচাৰে। টেলিভিছনত প্রচাৰ হৈ থকা বার্তা সম্পূর্ণৰূপে বুজি পাবলৈ আমি টেলিভিছন পর্দাৰ সমুখত উপস্থিত থাকিবই লাগিব।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ 'টেলিভিছন মনোৰঞ্জনৰ বাবে ৰেডিঅ' তথ্য জনাৰ বাবে।' —বহলাই ব্যাখ্যা কৰক

.....

.....

.....

.....

.....

.....

.....

.....

.....

প্রশ্ন নং ৪ ঃ টেলিভিছন হ'ল সবাতোকৈ প্রত্যয়জনক মাধ্যম। —কিয়?

.....

.....

.....

.....

চিন্তা চর্চা কৰক

ক) অল ইণ্ডিয়া ৰেডিঅ'ৰ ৰাতি ন বজাৰ 'নিউজ বুলেটিন' শুনক, দূৰদর্শনত একেদিনাই ৰাতি দহ বজাত 'নিউজ টেলিকাষ্ট' চাওক। দুয়োটা মাধ্যমৰ উপস্থাপন শৈলীৰ মাজত কি পার্থক্য দেখিলে, কেনে ভাষাৰ প্রয়োগ মন কৰিলে, কি ক্রমত বাতৰিবোৰ পঢ়া হ'ল? আপোনাৰ মতে কোনটো মাধ্যমে অধিক বিস্তৃতভাৱে বাতৰি পৰিৱেশন কৰিলে?

.....

.....

.....

খ) দূৰদর্শন (ডি.ডি নেশ্যনেল) আৰু যিকোনো এটা ব্যক্তিগত ছেটেলাইট ছেনেলৰ অনুষ্ঠান চাওক। দুয়োটা ছেনেলৰ অনুষ্ঠানসমূহ তুলনা কৰক।

.....

.....

.....



১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টিত আপোনালোকক দৃশ্য-শ্রব্য মাধ্যমৰ মৌলিক ধাৰণাবোৰৰ সৈতে পৰিচয় কৰাই দিয়া হ'ল। এই ধাৰণাসমূহ আকৌ এবাৰ চমুকৈ আওঁৰাই চাওঁ আহক।

- দৃশ্য-শ্রব্য সংজ্ঞাটোৱে শ্রব্য আৰু দৃশ্যমান দুয়োবিধ উপাদান থকা কোনো কামৰ কথা বুজায়।

- ৰেডিঅ' হ'ল এনে এক মাধ্যম যিটো কেৱল শুনিবহে পাৰি, আনহাতে টেলিভিছনৰ জৰিয়তে প্ৰচাৰিত অনুষ্ঠান শুনিবও পাৰি, চাবও পাৰি। সেয়েহে ৰেডিঅ'ক শ্ৰব্য মাধ্যম আৰু টেলিভিছনক দৃশ্য-শ্ৰব্য মাধ্যম বুলি কোৱা হয়।
- টেলিভিছনৰ সবল আৰু দুৰ্বল দুয়োটা দিশেই আছে। মাধ্যমটো কেনেদৰে ব্যৱহাৰ কৰা হয় বহু কথা তাৰ ওপৰত নিৰ্ভৰশীল।
- বৰ্তমানৰ প্ৰেক্ষাপটত, মানুহৰ জীৱনত টেলিভিছনৰ সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিছে তথা ইয়াৰ গভীৰ প্ৰসাৰ ঘটিছে।



১.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Agarwal, V. B. and Gupta, V. S. (2002), *Handbook of Journalism and Mass Communication*, Concept Publishing Company, Mumbai.
2) Kumar, Keval J. (2006), *Mass Communication in India*, Jaico Publishing House, Mumbai.
3) Kundra, Shipra (2005). *Basic Audio Visual Media*. Anmol Publications Pvt. Ltd.
4) Menon, P. K. (2005), *Practical Journalism*, Aavishkar Publishers & Distributors, Jaipur.
5) Shrivastava, K. M. (2005), *Broadcast Journalism in 21st Century,* New Dawn Press, New Delhi.



১.৮ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃবাণিজ্যিক টেলিভিছন হ'ল এটা অৰ্থ উপাৰ্জনকাৰী ব্যৱসায়। দৰ্শকক বিজ্ঞাপনত দেখুওৱা সামগ্ৰীসমূহ কিনি টকা খৰছ কৰিবলৈ উৎসাহিত কৰি ই নিজে অৰ্থ উপাৰ্জন কৰে। এই ক্ষেত্ৰত এটা অনুষ্ঠানৰ জনপ্ৰিয়তাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনুষ্ঠান এটা জনপ্ৰিয় হোৱা মানেই বিজ্ঞাপনৰ দৰ্শকৰ সংখ্যাও বৃদ্ধি পোৱা। ইয়াৰ ফলত সামগ্ৰী বিক্ৰীৰ হাৰো বৃদ্ধি পায়। সহজ অৰ্থত টেলিভিছনৰ অনুষ্ঠান মানেই হ'ল দৰ্শকক বিজ্ঞাপন দেখুওৱাৰ এটা সুযোগস্বৰূপ। আকৌ, কোনো এবিধ সামগ্ৰী বিক্ৰী কৰিবলৈ হ'লে

মানুহৰ মনত সামগ্ৰীবিধৰ 'প্ৰয়োজনীয়তা'ৰ ধাৰণাটো সৃষ্টি কৰিব লাগিব।সমালোচকৰ মতে জীৱনত 'সঠিক বস্তু'ৰ গৰাকী হ'বৰ বাবে আৰু 'সঠিক ভাৱমূৰ্তি' বৰ্তাই ৰাখিবৰ বাবে (মেদহীন, সুগঢ়ী, দেখনিয়াৰ শৰীৰৰ গৰাকী হোৱা ইত্যাদি) আমাক পতিয়ন নিয়াবলৈ বিজ্ঞাপনৰ সহায় লোৱাটো হ'ল অৰ্থনৈতিক শোষণৰ এটা প্ৰকাৰ।

২নং প্ৰশ্নৰ উত্তৰ ঃ টেলিভিছনে আমাক আমাৰ দৈনন্দিন সমস্যাবোৰৰ পৰা সাময়িকভাৱ আঁতৰি থকাৰ আৰু অন্য লোকৰ অভিজ্ঞতাৰে নিজকে অভিজ্ঞ কৰি তোলাৰ সুযোগ প্ৰদান কৰে। টেলিভিছনত কলা-শিল্পজগতৰ সৃষ্টিসমূহৰ সৌন্দৰ্য দেখি আমি মুগ্ধ হ'ব পাৰো, কোনো ক্ৰীড়া উৎসৱৰ আনন্দ-উত্তেজনাৰ ভাগ লৈ আপোন পাহৰা হ'ব পাৰো, নাইবা নিজকে কিছু সময়ৰ বাবে কল্পনাৰ জগতত বিচৰণ কৰিবলৈ এৰি দিবও পাৰো। এনে অৱসৰে আমাৰ মনবোৰ সজীৱ কৰি তোলে। কেতিয়াবা আনকি হেৰাই যোৱা আশা আৰু বিশ্বাসো পুনৰ আমাৰ মনলৈ উভতি আহে।

৩নং প্ৰশ্নৰ উত্তৰ ঃ টেলিভিছন হ'ল এটা জাকজমকতাপূৰ্ণ মাধ্যম। মাধ্যমটোৰ প্ৰকৃতি অনুসৰিয়েই টেলিভিছনৰ বাবে নিৰ্মিত অনুষ্ঠানবোৰৰ বেছিভাগেই মনো�ৰঞ্জনধৰ্মী হয়। টেলিভিছনৰ অনুষ্ঠানসমূহৰ প্ৰধান লক্ষ্য হ'ল সমাজৰ স্বচ্ছল শ্ৰেণীটো। কাৰণ ভাৰতত আজিও টেলিভিছন প্ৰধানতঃ এটা 'নগৰীয় পৰিঘটনা'। আনহাতে কম খৰচি হোৱা হেতুকে ৰেডিঅ' হ'ল দেশৰ দুখীয়া জনসাধাৰণৰ মাজত অধিক জনপ্ৰিয় মাধ্যম। এই কথাটোলৈ লক্ষ্য ৰাখি বেছিভাগ ৰেডিঅ' অনুষ্ঠানেই গ্ৰামাঞ্চলৰ বাসিন্দাসকলৰ বাবে প্ৰচাৰ কৰা হয়। কৃষি, পৰিয়াল পৰিকল্পনা, স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা ইত্যাদি বিষয়ৰ ওপৰত যুগুত কৰা তথ্যভিত্তিক আৰু দিহা-পৰামৰ্শ সম্বলিত নানান অনুষ্ঠান ৰেডিঅ'ই প্ৰচাৰ কৰে। অৱশ্যে বিগত কেইবছৰমানত দেশৰ নগৰ কেন্দ্ৰসমূহত এফ.এম. ৰেডিঅ'ই গভীৰ প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে। এইক্ষেত্ৰত মন কৰিবলগীয়া কথাটো হ'ল এফ.এম. ৰেডিঅ' দৰাচলতে এটা মনোৰঞ্জনকেন্দ্ৰিক মাধ্যম।

৪নং প্ৰশ্নৰ উত্তৰ ঃ টেলিভিছন হ'ল অধিক প্ৰত্যয়জনক মাধ্যম, কিয়নো ইয়াত দৃশ্য, শব্দ আৰু গতিশীলতা আটাইকেইটা উপাদানৰে সংযোগ ঘটে। দৃশ্যসমূহৰ গতিশীলতা আৰু তাৰ সৈতে খাপ খোৱা শব্দই টেলিভিছন চোৱাৰ 'চাক্ষুষ অভিজ্ঞতা'ক অধিক প্ৰাণৱন্ত আৰু অৰ্থবহ কৰি তোলে। সেয়েহে ক'ব পাৰি যে কেৱল ধ্বনি উপাদানৰ ওপৰত নিৰ্ভৰশীল ৰেডিঅ' নাইবা আন কোনো গণ প্ৰচাৰ মাধ্যমতকৈ টেলিভিছনে দৰ্শকৰ আগত নিজৰ প্ৰত্যয়জনক স্থিতি প্ৰতিপন্ন কৰি আস্থা আদায় কৰিবলৈ সক্ষম হৈছে।



১.৯ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ দৃশ্য-শ্রব্য প্রচাৰ মাধ্যম বুলিলে কি বুজে? উদাহৰণ দিয়ক।

প্ৰশ্ন ২ ঃ কেতিয়া ভাৰতত ৰঙীণ টেলিভিছনৰ প্রচলন আৰম্ভ হয়?

প্ৰশ্ন ৩ ঃ কেতিয়া সংযোগৰ কৃত্রিম উপগ্রহ 'ইনছেট' উৎক্ষেপন কৰা হৈছিল?

প্ৰশ্ন ৪ ঃ ৰাজহুৱা সম্প্রচাৰ সেৱা বুলিলে কি বুজে?

প্ৰশ্ন ৫ ঃ ট্রন্সপ'ণ্ডাৰ বুলিলে কি বুজে?

প্ৰশ্ন ৬ ঃ ভাৰতীয় টেলিভিছনত প্রৱেশ কৰা প্রথম আন্তঃৰাষ্ট্রীয় উপগ্রহ চেনেলটো কি?

খ) চুটি প্ৰশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ আপুনি ভাবে নেকি যে টেলিভিছনৰ ৰে'টিং পইণ্টে মানুহৰ পছন্দ আৰু লগতে এটা বিশেষ চেনেলৰ জনপ্রিয়তা বিচাৰ কৰাত আহিলা হিচাপে কাম কৰে? আপোনাৰ উত্তৰৰ সমর্থনত যুক্তি আগবঢ়াওক।

প্ৰশ্ন ২ ঃ আপোনাৰ মতে ভাৰতত কোনবিধ মাধ্যমৰ প্রসাৰতা আৰু সহজলভ্যতা অধিক—ৰেডিঅ' নে টেলিভিছন? —ব্যাখ্যা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ দৃশ্য-শ্রব্য মাধ্যমৰ মুখ্য বৈশিষ্ট্যসমূহ বর্ণনা কৰি এটা বিস্তৃত টোকা প্রস্তুত কৰক।

প্ৰশ্ন ২ ঃ শ্রব্য আৰু দৃশ্য-শ্রব্য মাধ্যমৰ মৌলিক পার্থক্যসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ কোৱা হয় যে টেলিভিছনৰ উদ্ভাৱনে বর্তমানৰ পৃথিৱীখনৰ ৰূপ সম্পূর্ণ সলনি কৰি পেলাইছে। —কথাটো আপুনি সমর্থন কৰে নে আৰু কিয়?

প্ৰশ্ন ৪ ঃ টেলিভিছনৰ তিনিটা নেতিবাচক আৰু ইতিবাচক দিশ সম্পর্কে লিখক।

প্ৰশ্ন ৫ ঃ ভাৰতৰ দৰে বহুভাষিক আৰু বহুজাতিক দেশত টেলিভিছনৰ ভূমিকা কেনেধৰণৰ?

*** ***** ***